**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 07-04-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
**----------------------**

১। ৰাজ্যত লোকসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযান অব্যাহত। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ আজি দেৰগাঁও আৰু আৰু বোকাখাটত প্ৰচাৰ সভাত অংশগ্ৰহণ।
২। নিৰ্বাচনী প্ৰচাৰৰ উদ্দেশ্যে কংগ্ৰেছ, আম আদমী পাৰ্টীৰ ৰাষ্ট্ৰীয় শীৰ্ষ নেতাৰ অসম আগমণ।
৩। লোকসভা নিৰ্বাচন স্বচ্ছ, মুক্ত আৰু নিকাকৈ সম্পন্ন কৰাৰ ক্ষেত্ৰত প্ৰশাসনৰ কঠোৰ ব্যৱস্থা গ্ৰহণ।
৪। অসমীয়াৰ বাপতিসাহোন ৰঙালী বিহুলৈ মাজত মাথো পাঁচটা দিন বাকী থকা অৱস্থাত ৰাজ্যজুৰি বিহুৰ ব্যাপক প্ৰস্তুতি।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি এখন খেলত দেলহি কেপিটেলছ মুম্বাই ইণ্ডিয়ানছৰ মুখামুখি। আন এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ গুজৰাট টাইটানছৰ সন্মুখীন।

০০০০০০০

প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ সামৰণিলৈ ১০টা দিন বাকী থকা অৱস্থাত ৰাজ্যখনত বিভিন্ন ৰাজনৈতিক দলে ব্যাপক প্ৰচাৰ চলাইছে। বিজেপিৰ নেতা তথা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, ডিব্ৰুগড় সমষ্টিৰ দলৰ প্ৰাৰ্থী তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, ৰাজ্যখনৰ কেইবাগৰাকী মন্ত্ৰী, বি টি আৰৰ মুৰব্বী প্ৰমোদ বড়োৰ লগতে ভালেসংখ্যক নেতাই দলীয় প্ৰাৰ্থীৰ সমৰ্থনত প্ৰচাৰ চলাইছে। ইপিনে, যোৰহাট সমষ্টিত কংগ্ৰেছ্ দলৰ প্ৰাৰ্থী গৌৰৱ গগৈয়েও প্ৰচাৰ অভিযান অব্যাহত ৰাখিছে। সৰ্বানন্দ সোণোৱালে আজি নিজ সমষ্টিৰ লাইপুলি মৰাণকাৰী গাঁও, মহাকালী চাহ বাগিচা, চানমাৰি নেপালি খেলপথাৰ, মানৱ কল্যাণ পূজা ভৱন আৰু ১৫ নম্বৰ ৱাৰ্ডত নিৰ্বাচনী প্ৰচাৰ সভাত অংশ ল'ব। ইপিনে কংগ্ৰেছ্ দলৰ সাধাৰণ সম্পাদক জীতেন্দ্ৰ সিং আলোৱাৰ আজি নিৰ্বাচনী প্ৰচাৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰিবলৈ অসমত উপস্থিত হ'ব। নেতাগৰাকীয়ে গুৱাহাটী, ডিব্ৰুগড়ৰ খোৱাং, গোলাঘাট আৰু যোৰহাটত নিৰ্বাচনী প্ৰচাৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। গোলাঘাট জিলাৰ মেৰাপানী অঞ্চলত কংগ্ৰেছ্ দলৰ প্ৰাৰ্থী ৰজলীনা তিৰ্কীৰ হৈ তেওঁৰ লগতে সম্পাদক পৃথ্বিৰাজ সাৰ্থে, শিৱসাগৰৰ বিধায়ক অখিল গগৈ আৰু অসম কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই প্ৰচাৰ চলাব। ইপিনে, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি বিজেপিৰ মিত্ৰজোঁটৰ প্ৰাৰ্থী কামাখ্যাপ্ৰসাদ তাছাৰ হৈ নিৰ্বাচনী প্ৰচাৰ সভাত অংশ ল'ব। ড° শৰ্মাই দেৰগাঁৱৰ বালিজান খেলপথাৰত এখন সভাত অংশগ্ৰহণ কৰাৰ লগতে বোকাখাতৰ বিহৰা বাগিচা খেলপথাৰত আন এখন সভাত ভাষণ দিব।

প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ প্ৰচাৰ চলোৱাৰ বাবে আম আদমী পাৰ্টীৰ কেন্দ্ৰীয় নেত্ৰী তথা দিল্লী চৰকাৰৰ মন্ত্ৰী আতিশীয়ে  অসমত নিৰ্বাচনী প্ৰচাৰ সভাত অংশ ল'ব। নেত্ৰীগৰাকীয়ে ডিব্ৰুগড় আৰু শোণিতপুৰ লোকসভা সমষ্টিৰ দলীয় প্ৰাৰ্থী মনোজ ধানোৱাৰ আৰু ঋষিৰাজ কৌন্দিন্যৰ হৈ প্ৰচাৰ চলাব। তেওঁ কাইলৈ ডুলিয়াজানত আপৰ প্ৰাৰ্থীগৰাকীৰ হৈ প্ৰচাৰ চলোৱাৰ লগতে বিয়লি সংবাদ মাধ্যমৰ সৈতে মত বিনিময় কৰিব। পৰহিলৈ তেওঁ তিনিচুকীয়াত সংবাদ প্ৰতিষ্ঠানৰ সৈতে মত বিনিময়ৰ লগতে মাৰ্ঘেৰিটাত মটৰ চাইকেল সমদল আৰু নিৰ্বাচনী সভাত অংশ ল'ব। ১০ এপ্ৰিলত তেওঁ তেজপুৰৰ প্ৰাৰ্থীগৰাকীৰ হৈ ৰোড শ্ব'ত অংশ ল'ব। ইপিনে, বিজেপিৰ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহো হোজাই আৰু লখিমপুৰত নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ উদ্দেশ্যে অসমলৈ অহাৰ কথা। তদুপৰি বিজেপিৰ লগতে অন্যান্য দলৰ কেইবাগৰাকী শীৰ্ষ নেতাই পৰৱৰ্তী সময়ত প্ৰচাৰ অভিযানত অংশ ল'বলৈ ৰাজ্যলৈ আহিব বুলি জানিব পৰা গৈছে।

oooooooo

বিভিন্ন জিলা প্ৰশাসনে ৰাজ্যখনত লোকসভা নিৰ্বাচন স্বচ্ছ, মুক্ত আৰু নিকাকৈ সম্পন্ন কৰাৰ বাবে প্ৰচেষ্টা অব্যাহত ৰাখিছে। আনহাতে, নিৰ্বাচনী আচৰণবিধি উলংঘাৰ ঘটনাৰ ৰোধ কৰিবলৈও কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। বিভিন্ন জিলাত নিৰ্বাচনত নিয়োজিত হ'বলগীয়া বিষয়া-কৰ্মচাৰীৰ প্ৰশিক্ষণ, ভোটাৰ সজাগতা কাৰ্যসূচী আদি চলি থকাৰ সমান্তৰালকৈ অবৈধ ধনৰ সৰবৰাহ ৰোধ, মাদক দ্ৰব্য জব্দ কৰা আদি কাৰ্যও কৰি থকা হৈছে। মৰিগাঁও জিলাৰ ভোটগ্ৰহণত নিয়োজিত বিষয়া-কৰ্মচাৰীসকলৰ দ্বিতীয় পৰ্যায়ৰ প্ৰশিক্ষণ  আৰম্ভ হৈছে। কালি দ্বিতীয় দিনা ২ হেজাৰ ১১৬ গৰাকী ভোটগ্ৰহণকাৰী বিষয়াক প্ৰশিক্ষণ প্ৰদান কৰা হয়। আনহাতে, কাইলৈ ১৪৪ গৰাকী মহিলা ভোটগ্ৰহণকাৰী বিষয়া আৰু ৮ গৰাকী বিশেষভাৱে সক্ষম মহিলা বিষয়াক প্ৰশিক্ষণ দিয়া হ'ব।

ইপিনে, মহানগৰীখনত নিৰ্বাচনী আচৰণ বিধি প্ৰযোজ্য হৈ থকা সময়ছোৱাত আৰক্ষী বিশেষ নিৰীক্ষণকাৰী গোট নাইবা ফ্লাইং স্কোৱাদে নগদ ধন জব্দ কৰাৰ ক্ষেত্ৰত যদি নিৰপৰাধী লোকে  সমস্যাৰ সন্মুখীনি হৈছে তেনে অসুবিধা দূৰ কৰাৰ বাবে কামৰূপ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়াৰ লগতে আন দুজন বিষয়াক লৈ এখন কমিটি গঠন কৰা হৈছে। কমিটিখনে এই ধন সন্দৰ্ভত নিজাববীয়াকৈ তথ্য গ্ৰহণ কৰিব পাৰিব। পৰীক্ষাৰ অন্তত জব্দ কৰা ধন বৈধ বুলি প্ৰমাণ হলে সেই ধন ব্যক্তিগৰাকীক ঘূৰাই দিব লাগিব। কামৰূপ মহানগৰ জিলা আয়ুক্তৰ কাৰ্যালয়ে জিলাখনৰ নিৰ্বাচনত ব্যৱহাৰ হ'বলগীয়া ই ভি এম আৰু ভি ভি পেটৰ কালি ৰেন্দমাইজেশ্বন কাৰ্যসূচী অনুষ্ঠিত কৰে। লোকসভা নিৰ্বাচনৰ বাবে নিৰ্বাচন আয়োগে দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ বাবে নিয়োগ কৰা সাধাৰণ পৰ্যবেক্ষক ভাৰতীয় প্ৰশাসনিক সেৱাৰ বিষয়া আৰু আৰক্ষী পৰ্যবেক্ষক ভাৰতীয় আৰক্ষী সেৱাৰ বিষয়া কালি জিলাখনত উপস্থিত হৈ নিৰ্বাচনৰ প্ৰতিটো কোষৰ নডেল বিষয়া, আৰু দায়িত্বাহী বিষয়াসকলৰ সৈতে নিৰ্বাচনী প্ৰস্তুতি সন্দৰ্ভত আলোচনা কৰে।

ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে কালি কাজিৰঙা সংসদীয় সমষ্টিৰ অন্তৰ্গত গোলাঘাট নিৰ্বাচনী জিলাত উপস্থিত হৈ জিলাখনত বিভিন্ন নিৰ্বাচন সম্বন্ধীয় প্ৰস্তুতিৰ বুজ লয়। মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে প্ৰথমে জিলাখনৰ নিৰ্বাচনী কোষসমূহৰ দায়িত্বত থকা বিষয়াসকলৰ লগত এখন বৈঠকত মিলিত হয়। কোষসমূহৰ কামকাজৰ খতিয়ান লৈ বিষয়াগৰাকীয়ে সমাগত নিৰ্বাচন সম্পূৰ্ণ স্বচ্ছ, দুৰ্নীতিমুক্ত, শান্তিপূৰ্ণ তথা সুচাৰুৰূপে ৰূপায়ণ কৰিবলৈ সকলোকে আহ্বান জনায়। ইয়াৰ বিষয়াগৰাকীয়ে নিৰ্বাচনী জিলাখনৰ ৰেৰহাউছ, ষ্ট্ৰং ৰুম, সামগ্ৰী বিতৰণ কেন্দ্ৰ আৰু ভোটগণনা কেন্দ্ৰসমূহ পৰিদৰ্শন কৰি সকলো প্ৰস্তুতিৰ বুজ লয়।

মঙলদৈ জিলা পুথিভৰালত সূক্ষ্ম পৰ্যবেক্ষকসকলৰ এখন দুদিনীয়া প্ৰশিক্ষণ কাৰ্যসূচীৰ কালি সামৰণি পৰে। জিলাখনৰ তিনিটা বিধানসভা সমষ্টিত নিয়োগ কৰা ২৫৯ জন সূক্ষ্ম পৰ্যবেক্ষকক এই কাৰ্যসূচীত প্ৰশিক্ষণ দিয়া হয়। ইতিমধ্যে জিলাখনৰ দলগাঁও, মঙলদৈ আৰু ছিপাঝাৰ বিধানসভা সমষ্টিৰ ভোটগ্ৰহণকাৰী বিষয়াসকলৰ প্ৰশিক্ষণ সম্পন্ন হৈছে।

ইফালে জিলাখনত ভোটদাতা ৰাইজৰ মাজত সজাগতা সৃষ্টিৰ উদ্দেশ্যেৰে প্ৰণালীবদ্ধ ভোটাৰ শিক্ষা আৰু ভোটগ্ৰহণত অংশগ্ৰহণ কোষ অৰ্থাৎ ছুইপে বিভিন্ন সজাগতামূলক কাৰ্যসূচী গ্ৰহণ কৰিছে। জিলাখনত তিনিটা বিধানসভা সমষ্টিত মুঠ ৮৩৫টা ভোটগ্ৰহণ কেন্দ্ৰ আছে বুলি বিভাগীয় কৰ্তৃপক্ষই জানিবলৈ দিছে।

হাইলাকান্দি জিলাৰ ছুইপ অৰ্থাৎ পদ্ধতিগত ভোটাৰ শিক্ষণ তথা সজাগতা কাৰ্যসূচীৰ অধীনত জিলাখনৰ কাটলিচৰা অঞ্চলত কালি এখন বিশেষ ভোটাৰ সজাগতা সভাৰ আয়োজন কৰা হয়। কাটলিচৰা মহকুমা ক্ৰীড়া সংস্থা আৰু হাইলাকান্দি জিলা ক্ৰীড়া বিষয়াৰ কাৰ্যালয়ৰ সহযোগত আয়োজিত অনুষ্ঠানত নতুন ভোটাৰসকলক ভোটদানৰ প্ৰতি আকৰ্ষিত কৰিবলৈ সজাগতা ৰেলী আৰু বিভিন্ন ক্ৰীড়া প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। ৰেলীত স্থানীয় জনসাধাৰণৰ লগতে ক্ৰীড়া ব্যক্তিত্ব সকলে অংশগ্ৰহণ কৰে। অনুষ্ঠানটোত ভোটদানৰ আৱশ্যকতা সন্দৰ্ভত ভোটাৰসকলক অৱগত কৰাৰ লগতে ভোটদানৰ সুবিধাৰ্থে নিৰ্বাচন আয়োগে গ্ৰহণ কৰা ব্যৱস্থাৱলীৰ বিষয়েও জানিবলৈ দিয়া হয়।

ডিফু লোকসভা সমষ্টিৰ নিৰ্বাচনৰ কাম-কাজৰ পৰ্যবেক্ষণৰ উদ্দেশ্যেৰে নিৰ্বাচনৰ সাধাৰণ পৰ্যবেক্ষক, নিৰ্বাচনী ব্যয় পৰ্যবেক্ষক আৰু আৰক্ষী পৰ্যবেক্ষক ডিফুত উপস্থিত হৈছে। নিৰ্বাচনকেন্দ্ৰিক অভিযোগ আৰু অনুসন্ধানৰ বাবে তেওঁলোকক যোগাযোগ কৰিব পৰা যাব বুলি জানিব পৰা গৈছে।

oooooooo

লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত অহা ১৯, ২৬ এপ্ৰিল আৰু ৭ মে'ত ৰাজ্য চৰকাৰে বন্ধ ঘোষণা কৰিছে। ৰাজ্যৰ সাধাৰণ প্ৰশাসন বিভাগে এই সন্দৰ্ভত তিনিখন পৃথক অধিসূচনা জাৰি কৰিছে। এই অধিসূচনা অনুসৰি প্ৰথম পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া কাজিৰঙা, শোণিতপুৰ, লখিমপুৰ, ডিব্ৰুগড় আৰু যোৰহাট লোকসভা সমষ্টিৰ অন্তৰ্গত এলেকাৰ সকলো চৰকাৰী-বে-চৰকাৰী কাৰ্যালয়ত, পঞ্চায়তীৰাজ প্ৰতিষ্ঠান, স্থানীয় নগৰ নিকায়, শিক্ষানুষ্ঠান, বেংক, চাহ বাগিচা, উদ্যোগ আদিকে ধৰি ব্যৱসায়িক আৰু বাণিজ্যিক প্ৰতিষ্ঠান অহা ১৯ এপ্ৰিলত বন্ধ থাকিব। একেদৰে দ্বিতীয় পৰ্যায়ত অহা ২৬ এপ্ৰিলত নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া দৰং-ওদালগুৰি, ডিফু, নগাঁও, কৰিমগঞ্জ, শিচলৰ সংসদীয় সমষ্টিৰ অধীনৰ এলেকাৰ ক্ষেত্ৰতো একে নিয়ম প্ৰযোজ্য হ'ব। তৃতীয় পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া কোকৰাঝাৰ, ধুবুৰী, বৰপেটা আৰু গুৱাহাটী লোকসভা সমষ্টিৰ অন্তৰ্গত অঞ্চলত অহা ৭ মে'ত বন্ধৰ এই নিৰ্দেশনা বলৱৎ হ'ব।

oooooooo

অসমীয়াৰ বাপতিসাহোন ৰঙালী বিহুলৈ মাজত মাথো পাঁচটা দিন বাকী থকা অৱস্থাত ৰাজ্যজুৰি বিহুৰ ব্যাপক প্ৰস্তুতি পৰিলক্ষিত হৈছে। গ্ৰামাঞ্চলত জীয়ৰী-বোৱাৰীয়ে হেপাহৰ বিহুৱানখন বৈ উলিয়াইছে। তদুপৰি বিহুৰ বাবে জা-জলপান, পিঠা-পনা, প্ৰস্তুত কৰি অতিথিক আপ্যায়ন কৰিবলৈ সকলো সাজু হৈছে। গাঁওসমূহৰ লগতে গুৱাহাটী মহানগৰীতো ৰঙালী বিহুৰ বাবে আখৰাত শিল্পীসকল ব্যস্ত হৈ পৰিছে। ঠায়ে ঠায়ে বিহুনাচ, ঢোলবাদন আদিৰ আখৰা অনুষ্ঠিত হৈছে। শিশুৰ পৰা ডেকা-গাভৰুলৈ বহু লোকে বিহুৰ আখৰাত অংশ লৈছে। আনহাতে, বিভিন্ন

স্থানত মঞ্চ বিহু উদযাপনৰ বাবেও প্ৰস্তুতি অব্যাহত আছে। গুৱাহাটী মহানগৰীৰ ঐতিহ্যমণ্ডিত লতাশিল খেলপথাৰ, ভৰলুমুখ, গণেশগুৰি, চানমাৰি, বেলতলাৰ লগতে বিভিন্ন স্থানত ২-৩ দিনীয়াকৈ মঞ্চ বিহু উদযাপন কৰা হ'ব। ইয়াৰ সৈতে সংগতি ৰাখি বিহু নাচ, ঢোল বাদন আৰু বিভিন্ন সাংস্কৃতিক প্ৰতিযোগিতাৰো আয়োজন কৰা হৈছে।

00000000

ৰাজ্য চৰকাৰৰ হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগে মহানগৰীৰ গণেশগুৰিত অভিযান চলাই কালি বুজন পৰিমাণৰ মেচিনত প্ৰস্তুত কৰা গামোচা জব্দ কৰে। উল্লেখযোগ্য যে, অসমীয়া গামোচাই ভৌগোলিক মান্যতা লাভ কৰাৰ পাছত একাংশ অসাধু ব্যৱসায়ীয়ে ৰঙালী বিহুৰ সুযোগ লৈ যাতে মেচিনত নিৰ্মিত গামোচা বিক্ৰী কৰিব নোৱাৰে তাৰ বাবে হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগে কঠোৰ পদক্ষেপ লৈছে।

00000000

গোৱালপাৰা জিলাৰ ১৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত যোৱানিশা সংঘটিত হোৱা দুটা পৃথক পথ দুৰ্ঘটনাত তিনিগৰাকী লোক নিহত হোৱাৰ লগতে ৭ গৰাকী আহত হৈছে। আমাৰ সংবাদদাতাই জনোৱা মতে, দুধনৈ থানাৰ অন্তৰ্গত আমজোঙাৰ দীনদয়াল মহাবিদ্যালয়ৰ সমীপত বনভোজকাৰী দলৰ এখন বাহনে এখন সামগ্ৰী কঢ়িওৱা বাহনক খুন্দিওৱাৰ ফলত দলটোৰ দুজন লোক থিতাতে নিহত হোৱাৰ লগতে আন ৬ জন গুৰুতৰভাৱে আহত হয়।

আনহাতে, আগিয়া থানাৰ অন্তৰ্গত কল্যাণপুৰত বাছ আৰু ডাম্পাৰৰ মাজত হোৱা আন এটা দুৰ্ঘটনাত এজন লোক নিহত হোৱাৰ লগতে আন এজন গুৰুতৰভাৱে আহত হৈছে।

00000000

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে উত্তৰ-পূৰ্বাঞ্চলত অহা ৬ দিন ধৰি বৰষুণৰ লগতে প্ৰতিঘণ্টাত ৫০ কিলোমিটাৰ বেগেৰে বতাহ বলাৰ সম্ভাৱনা আছে বুলি প্ৰকাশ কৰিছে। বিভাগটোৱে লগতে মহাৰাষ্ট্ৰ, মধ্যপ্ৰদেশ, চট্টিশগড়, পশ্চিমবংগ আৰু ওড়িশাৰ বিভিন্ন অংশত আজি বতৰ অতি বেয়া হ'ব পাৰে বুলি সতৰ্কবাণী জাৰি কৰিছে। ইয়াৰ লগতে বিভাগটোৱে দেশৰ বিভিন্ন অংশত বিজুলী-ঢেৰেকনিৰে মজলীয়া ধৰণৰ বৃষ্টিপাত হ'ব পাৰে আৰু ঝাৰখণ্ড, পশ্চিমবংগ, ওড়িশা, বিহাৰত কাইলৈপৰ্যন্ত বতৰ বেয়া হৈ থাকিব বুলি প্ৰকাশ কৰিছে। ইপিনে বিভাগটোৱে দেশৰ পূব আৰু উপদ্বীপীয় অঞ্চলত আজি আৰু কাইলৈ গ্ৰীষ্ম প্ৰবাহ অব্যাহত থকাৰ সম্ভাৱনা আছে বুলি জানিবলৈ দিছে। তামিলনাডু, কৰ্ণাটক আৰু তেলেংগানাৰ বিভিন্ন অংশত আজি গ্ৰীষ্ম প্ৰবাহৰ সম্ভাৱনা থকাৰ লগতে গুজৰাট, অন্ধ্ৰপ্ৰদেশ, পুডুচেৰী আৰু কেৰালাত বতৰ অহা ১০ এপ্ৰিলপৰ্যন্ত গৰম আৰু আৰ্দ্ৰ হৈ থাকিব বুলি বিভাগটোৱে প্ৰকাশ কৰিছে।

00000000

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি দুখন খেল অনুষ্ঠিত হ'ব। ইয়াৰে বিয়লি চাৰে ৩ বজাত মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত হ'বলগীয়া প্ৰথমখন খেলত দেলহি কেপিটেলছ মুম্বাই ইণ্ডিয়ানছৰ সন্মুখীন হ'ব। আনহাতে সন্ধিয়া চাৰে ৭ বজাত লক্ষ্ণৌৰ শ্ৰীঅটল বিহাৰী বাজপেয়ী একানা ক্ৰিকেট ষ্টেডিয়ামত হ'বলগীয়া দ্বিতীয়খন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ গুজৰাট টাইটানছৰ মুখামুখি হ'ব।

ইপিনে, ৰাজস্থান ৰয়েলছে যোৱা নিশা জয়পুৰৰ ছৱাই মানসিং ষ্টেডিয়ামত অনুষ্ঠিত আই পি এল ক্রিকেট প্রতিযোগিতাৰ এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুক ৬ উইকেটত পৰাস্ত কৰে। ৰাজস্থান ৰয়েলছে ১৮৪ ৰানৰ বিজয় লক্ষ্যৰে খেলা আৰম্ভ কৰি ১৯ অভাৰ আৰু এটা বলত ৪টা উইকেট হেৰুৱাই ১৮৯ ৰান সংগ্ৰহ কৰে। ৰাজস্থানৰ হৈ জছ্ বাটলাৰে অপৰাজিত শতক অৰ্জন কৰে আৰু সঞ্জু ছেমছনে ৬৯ ৰানৰ গুৰুত্বপূৰ্ণ বৰঙণি আগবঢ়ায়। ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ ৰিছ ট'পলে দুটা উইকেট দখল কৰে। ইয়াৰ পূৰ্বে ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুই প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৩ উইকেটৰ বিনিময়ত ১৮৩ ৰান কৰে। বেংগালুৰুৰ হৈ বিৰাট কোহলিয়ে ১১৩ ৰান কৰাৰ বিপৰীতে অধিনায়ক ডু প্লেছিছে ৪৪ ৰানৰ বৰঙণি আগবঢ়ায়। ৰাজস্থান ৰয়েলছৰ যুজবেন্দ্ৰ চহালে দুটা উইকেট লাভ কৰে। ৰাজস্থান ৰয়েলছৰ জছ্ বাটলাৰক প্লেয়াৰ অৱ দা মেচ হিচাপে ঘোষণা কৰা হয়।

০০০০০০০০

ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজত অনুষ্ঠিত হ'বলগীয়া ৫ খনীয়া পুৰুষ হকী শৃংখলাৰ দ্বিতীয়খন খেল আজি অষ্ট্ৰেলিয়াৰ পাৰ্থত ভাৰতীয় সময় অনুসৰি দিনৰ ২ বাজি ১০ মিনিটত অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে প্ৰথমখন খেলত কালি অষ্ট্ৰেলিয়াই ভাৰতক ৫-১ গলত পৰাস্ত কৰিছে। বুধবাৰে পাৰ্থত শৃংখলাৰ তৃতীয়খন খেল অনুষ্ঠিত হ'ব।

০০০০০০০০

**সোণৰ চামুচ মুখত লৈ**'ৰ স্ৰষ্টা বিশিষ্ট সাহিত্যিক, অভিধান প্ৰণেতা, ভূতত্ববিদ ড০ প্ৰণৱজ্যোতি ডেকাৰ মৃত্যু আৰু অন্ত্যেষ্টিক্ৰিয়াৰ বাতৰিৰ লগতে সমাগত লোকসভা নিৰ্বাচনৰ বিভিন্ন বাতৰিক আজি গুৱাহাটীৰ পৰা প্ৰকাশিত কাকতসমূহে প্ৰথম পৃষ্ঠাত স্থান দিছে। দৈনিক অসম কাকতখনে **সাহিত্যৰ জ্যোতি বিলাই অনিৰ্গম পথত অন্তিম যাত্ৰা ড০ প্ৰণৱজ্যোতি ডেকাৰ** শিৰোনামেৰে মুখ্য বাতৰি প্ৰকাশ কৰিছে। বাতৰিটোক দি আসাম ট্ৰিবিউন কাকতেও প্ৰথম পৃষ্ঠাত স্থান দিছে। ভৌগোলিক খণ্ড দখলৰ বাবে চেষ্টা চলাই থকা চীনে এইবাৰ লোকসভাৰ নিৰ্বাচনত বিসংগতি ঘটাব পাৰে বুলি মাইক্ৰ'ছফ্‌ট থ্ৰেট ইণ্টিলিজেন্সৰ তথ্য প্ৰকাশ পোৱা বুলি এটা বাতৰিক নিয়মীয়া বাৰ্তা কাকতে **লোকসভা নিৰ্বাচনত বিসংগতিৰ ব্লুপ্ৰিণ্ট চীনৰ** শিৰোনামেৰে নিয়মীয়া বাৰ্তা কাকতখনে মুখ্য বাতৰি প্ৰকাশ কৰিছে। আইছিছ'ৰ আদৰ্শত বিশ্বাসী হৈ সংগঠনটোত যোগ দিবলৈ গৈ গ্ৰেপ্তাৰ হোৱা আই আই টিৰ ছাত্ৰ তৌছিফ আলী ফাৰুকীৰ পৰা আৰক্ষীয়ে ৰাজ্যত সন্ত্ৰাসবাদী সংগঠনটোৰে ঘাটি পতা বুলি বহু বিস্ফোৰক তথ্য লাভ কৰাৰ বাতৰিক দৈনিক জনমভূমি কাকতে মুখ্য বাতৰিৰ স্থান দিছে। এই সংক্ৰান্তত আমিনগাঁৱৰ মছজিদত আৰক্ষীৰ এছ টি এফে অভিযান চলোৱাৰ বাতৰিক দা ছেণ্টিনেল কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। নিৰ্বাচন আচৰণ বিধি ভংগ কৰি বিজেপিয়ে আৰ্থ সামাজিক সমীক্ষা চলোৱাৰ উদ্দেশ্যে প্ৰ-পত্ৰ বিতৰণ কৰা বুলি চি পি আই এমে নিৰ্বাচন আয়োগৰ ওচৰত অভিযোগ দাখিল কৰাৰ পাছত নিৰ্বাচন আয়োগে এই সংক্ৰান্তত বিজেপিলৈ কাৰণ দৰ্শোৱাৰ জাননী জাৰি কৰা বুলি এটা বাতৰি আমাৰ অসম কাকতে **বিজেপিৰ সমীক্ষা নিষিদ্ধৰ দাবী, নিৰ্বাচনৰ আয়োগৰ শ্বক'জ, আয়োগৰ নিৰ্দেশলৈ বাট চাব মুখ্যমন্ত্ৰীয়ে** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত বাতৰি প্ৰকাশ কৰিছে। দেশৰ কেইবাখনো ৰাজ্যত গ্ৰীষ্ম প্ৰবাহ বিপৰীতে বহুকেইখন ৰাজ্যত প্ৰবল শিলাবৃষ্টি হ'ব পাৰে ভাৰতীয় বতৰ বিজ্ঞান বিভাগে আগজাননী দিয়াৰ বাতৰিক অসমীয়া খবৰ কাকতে **অনাগত ১০ৰ পৰা ২০**

**দিন প্ৰচণ্ড গৰমে দহিব দেশৰ ১০খন ৰাজ্য, ধুমুহাৰো সকীয়নি** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। এমাহৰ ভিতৰতে ১০টা নৱজাতকক বিক্ৰী কৰা দিল্লীৰ এটা শিশু সৰবৰাহকাৰী চক্ৰক চি বি আইয়ে উৎখাত কৰা বুলি এটা বাতৰি **এমাহতে বিক্ৰী ১০টা নৱজাতক, দিল্লী-হাৰিয়ানাত অভিযান, ৪ৰ পৰা ৬ লাখ টকাত সদ্যোজাতক বিক্ৰী কৰা শিশু সৰবৰাহকাৰী চক্ৰক উৎখাত চি বি আইৰ** শিৰোনামেৰে অসমীয়া প্ৰতিদিন কাকতে গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে। ৰাজ্যৰ ফুলাম গামোচাই ভৌগোলিক পৰিচয়ৰ স্বীকৃতি লাভ কৰাৰ পাছতো বহিঃৰাজ্যত মেচিনত তৈয়াৰি গামোচাৰ প্ৰচলনে গামোচাৰ স্বকীয়তালৈ প্ৰত্যাহ্বান কঢ়িয়াই আনিছে বুলি দৈনিক অগ্ৰদূত কাকতে প্ৰথম পৃষ্ঠাত বাতৰি প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে – দৰঙৰ পূৰ্বৰ নিলম্বিত আৰক্ষী অধীক্ষক ৰাজমোহন ৰায়ক চাকৰিৰ পৰা বৰ্খাস্ত, ছিকিমত ভয়ংকৰ পথ দুৰ্ঘটনাত নিহত অসমৰ দুজন লোকৰ থিতাতে মৃত্যু, ইজৰাইল আক্ৰমণৰ হুমকি দিলে ইৰাণে ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

oooooooo

সমাপ্ত